# REGIONAL NEWS UNIT

AKASHVANI, GUWAHATI

0000000000

**Date :** 22-03-2025

**Time :** 1715 Hrs

## *Assamese Evening Bulletin*

**- - - - - - - - - - - - - -**

অহা ২ এপ্ৰিলত হ'বলগীয়া ৰাভা-হাছং স্বায়ত্তশাসিত পৰিষদৰ নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত ৰাজনৈতিক দলসমূহৰ তৎপৰতা বৃদ্ধি পাইছে। আজি কামৰূপ জিলাৰ বামুনীগাঁও পৰিষদীয় সমষ্টিত সাংসদ বিজুলী কলিতা মেধীয়ে ভাৰতীয় জনতাপাৰ্টীৰ নিৰ্বাচনী কাৰ্যালয় মুকলি কৰি বিজেপিৰ প্ৰাৰ্থী অজিত ৰাভাৰ হৈ প্ৰচাৰ চলায় সাংসদগৰাকীয়ে বকো পৰিষদীয় সমষ্টিৰ প্ৰাৰ্থী ছুমিত ৰাভাৰ সৈতেও প্ৰচাৰ অভিযানত অংশগ্ৰহণ কৰে।

গোৱালপাৰা জিলাতো ১৯টা পৰিষদীয় সমষ্টিত প্ৰাৰ্থীসকলে ভোটদাতাসকলক আকৰ্ষিত কৰিবলৈ বিভিন্ন ধৰণেৰে প্ৰচাৰ অভিযান চলায়। দক্ষিণ দুধনৈৰ বিজেপি সমৰ্থিত ৰাভা-হাছং যৌথ সংগ্ৰম সমিতিৰ প্ৰাৰ্থী তথা ৰাভা-হাচং স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য টংকেশ্বৰ ৰাভাৰ সমানে সমানে কংগ্ৰেছ প্ৰাৰ্থী সঞ্জীৱ কুমাৰ ৰাভা আৰু ভোটাৰ্ছ পাৰ্টী অব ইণ্ডিয়া দলৰ প্ৰাৰ্থী পুনম হাজোৱাৰীয়ে কেইবাখনো নিৰ্বাচনী সভাত অংশ লয়।

উল্লেখযোগ্য যে, অহা ২ এপ্ৰিলৰ পুৱা ৭ বজাৰ পৰা বিয়লি ৩ বজালৈ ৰাভা-হাছং স্বায়ত্তশাসিত পৰিষদৰ নিৰ্বাচনৰ ভোটগ্ৰহণ হ'ব। অহা ৪ এপ্ৰিলত নিৰ্বাচনৰ ফলাফল ঘোষণা কৰা হ'ব।

ooooo

জলবায়ু পৰিৱৰ্তন আৰু শক্তি সংৰক্ষণৰ সজাগতা সৃষ্টিৰ লক্ষ্যৰে ধৰিত্ৰী ঘণ্টা কাৰ্যসূচীৰ সমৰ্থনত আজি নিশা চাৰে ৮ বজাৰ পৰা চাৰে ৯ বজালৈ ৰাজ্যখনৰ জনসাধাৰণক অনাৱশ্যকীয় সকলো বিদ্যুৎচাকি বন্ধ কৰি ৰাখিবলৈ ৰাজ্য চৰকাৰে আহ্বান জনাইছে। ১৯০ খনতকৈও অধিক দেশত পালন কৰা ধৰিত্ৰী ঘণ্টা কাৰ্যসূচীত এই বছৰ সকলোৰে বাবে পানী শীৰ্ষক বিষয়বস্তুত গুৰুত্ব দিয়া হৈছে। আন্তৰ্জাতিক জল দিৱসৰ সৈতে সংগতি ৰাখি শক্তিৰ বহনক্ষম ব্যৱহাৰ আৰু পানী সংৰক্ষণৰ মাজত সংযোগ সৃষ্টি কৰিবলৈ এইবাৰৰ ধৰিত্ৰী ঘণ্টা কাৰ্যসূচীত চেষ্টা চলোৱা হৈছে। World Wide Fund for Nature চমুকৈ WWF INDIA নামৰ সংস্থাৰ উদ্যোগত আয়োজিত এই কাৰ্যসূচী সফল কৰিবলৈ ভাৰত চৰকাৰে এই এঘণ্টা ব্যক্তিগত ব্যৱসায়িক আৰু অন্যান্য সংস্থাসমূহক পৰিবেশ বহনক্ষমতা ৰক্ষাৰ বাবে প্ৰতিকীভাৱে এই কাৰ্য কৰিবলৈ আহ্বান জনাইছে। এনে ধৰণৰ সৰু অথচ গুৰুত্বপূৰ্ণ পদক্ষেপে জলবায়ু পৰিৱৰ্তন ৰোধ আৰু শক্তি সংৰক্ষণৰ অভ্যাস গঢ় দিয়াৰ ক্ষেত্ৰত জনসাধাৰণক সহায় কৰিব বুলিও চৰকাৰী সূত্ৰই প্ৰকাশ কৰিছে।

ooooo

আজি বিশ্ব জল দিৱস। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এই উপলক্ষে পানী সংৰক্ষণ আৰু বহনক্ষম উন্নয়নৰ প্ৰতিশ্ৰুতি সুনিশ্চিত কৰিবলৈ ৰাষ্ট্ৰবাসীক আহ্বান জনাইছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰীমোদীয়ে পানী সংৰক্ষণৰ গুৰুত্বপূৰ্ণ ভিডিঅ' এটা শ্বেয়াৰ কৰি কয় যে, পানী হৈছে সভ্যতাৰ জীৱনৰেখা আৰু ভৱিষ্যৎ প্ৰজন্মৰ বাবে ইয়াক সুৰক্ষিত কৰি ৰখা উচিত।

গুৱাহাটীৰ ভাৰতীয় প্ৰযুক্তি বিদ্যা প্ৰতিষ্ঠানে ব্ৰহ্মপুত্ৰ বোৰ্ডৰ সৈতে যুটীয়া প্ৰচেষ্টাত প্ৰতিষ্ঠানটোৰ সভাগৃহত দুদিনীয়াকৈ বিশ্ব জলদিৱস কাৰ্যসূচী পালন কৰিছে। জৈৱ বৈচিত্ৰৰ কোনো ক্ষতি নোহোৱাকৈ ব্ৰহ্মপুত্ৰ নদীৰ জলশক্তি ব্যৱহাৰ কৰি বিজুলী উৎপাদন কেনেদৰে কৰিব পাৰি এই সন্দৰ্ভত কাৰ্যসূচীত আলোচনা কৰা হৈছে। আলোচনাত আই আই টি গুৱাহাটীৰ উপৰি দিল্লী আই আই টি, ৰুৰকি আই আই টি আৰু ভাৰতবৰ্ষৰ কেইবাখনো অভিযান্ত্ৰিক বিশ্ববিদ্যালয়ৰ প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰে।

উল্লেখযোগ্য যে প্ৰতি বছৰে ২২ মাৰ্চৰ দিনটো বিশ্ব জল দিৱস হিচাপে পালন কৰা হয়। ১৯৯২ চনত ব্ৰাজিলৰ ৰিঅ'ডি জেনেৰিয়'ত অনুষ্ঠিত ৰাষ্ট্ৰসংঘৰ সন্মিলনত লোৱা সিদ্ধান্ত অনুসৰি ১৯৯৩ চনৰ পৰা প্ৰতি বছৰে এই দিৱস পালন কৰা হৈছে।

০০০০০

বজালী জিলাৰ পাটাচাৰকুছি নিৰ্মল হালৈ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ উদ্যোগত তথা ভাৰতীয় সমাজ বিজ্ঞান আৰু গৱেষণা পৰিষদৰ অৰ্থ সাহায্যত আৰু বিদ্যা ভাৰতী উচ্চ শিক্ষা সংস্থান, অসম প্ৰান্তৰ সহযোগত মহাবিদ্যালয়খনত আলোচনা চক্ৰ অনুষ্ঠিত হৈছে। **ধ্ৰুপদী অসমীয়া ভাষা-প্ৰত্যাহ্বান আৰু সম্ভাৱনা** শীৰ্ষক এই ৰাষ্ট্ৰীয় পৰ্যায়ৰ আলোচনা চক্ৰখন আজি আৰু কাইলৈ দুদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত হৈছে। মহাবিদ্যালয়খনৰ প্ৰশাসনীয় সমিতিৰ সভাপতি তথা অসম ডাউন টাউন বিশ্ববিদ্যালয়ৰ অধ্যাপক ড০ সোমেশ্বৰ কলিতাই আলোচনা চক্ৰৰ উদ্বোধনী অনুষ্ঠানত বন্তি প্ৰজ্বলন কৰে। আলোচনা চক্ৰত উপস্থিত থকা গুৱাহাটী বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ সহযোগী অধ্যাপক ড০ দীপামণি হালৈ মহন্তই ভাষণত কয়, যে ভাষা হৈছে এক ব্যৱহাৰিক পদ্ধতি। যদি কোনো এটা ভাষা ব্যৱহাৰ কৰা নহয়, তেন্তে সেই ভাষাটো বিলুপ্ত হৈ যায়। প্ৰতি ৪০ বছৰত একোটাকৈ ভাষা বিলুপ্ত হৈ আহিছে বুলিও তেওঁ উল্লেখ কৰে। কিন্তু অসমীয়া ভাষা বিলুপ্ত হৈ নাযায় যদিও অসমীয়া ভাষাক মাতৃভাষা হিচাপে ব্যৱহাৰ কৰা লোকৰ সংখ্যা ক্ৰমাৎ কমি আহিছে বুলি তেওঁ তাৎপৰ্যপূৰ্ণ মন্তব্য কৰে। অনুষ্ঠানত গুৱাহাটী বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ অধ্যাপক ড০ তৰণী ডেকা মুখ্য অতিথি হিচাপে উপস্থিত থাকে। তেওঁ কয়, যে অসমীয়া ভাষাৰ প্ৰচাৰে মূল লক্ষ্য হ'ব লাগে। ভাষাটোৰ প্ৰচাৰ আৰু প্ৰসাৰৰ জৰিয়তে মাতৃভাষাটো বিশ্ব দৰবাৰলৈ নিবলৈ তেওঁ আহ্বান জনায়। এই আলোচনাচক্ৰত সন্দিকৈ ছোৱালী মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ মুৰববী তথা সহযোগী অধ্যাপক ড০ লক্ষী হাজৰিকা, দিল্লী বিশ্ববিদ্যালয়ৰ আধুনিক ভাৰতীয় ভাষা আৰু সাহিত্য অধ্যয়ন বিভাগৰ সহকাৰী অধ্যাপক ড০ মিতালী বৰ্মন উপস্থিত থাকে।

০০০০০

বজালী প্ৰাথমিক শিক্ষা খণ্ডৰ নতুন ভৱনৰ আজি শিক্ষা বিষয়া কিশোৰ ৰাজবংশীয়ে শিলান্যাস কাৰ্য সম্পন্ন কৰে। শিক্ষা খণ্ডটোৰ কৰ্মচাৰী, লোকনিৰ্মাণ বিভাগৰ অভিযন্তা আৰু ভালেসংখ্যক শিক্ষকৰ উপস্থিতিত

এই শিলান্যাস কাৰ্য অনুষ্ঠিত হয়। প্ৰাথমিক শিক্ষা সঞ্চালকালয়ৰ দ্বাৰা আৱণ্টিত ধনেৰে অসম আৰ্হিৰ ভৱনটো লোকনিৰ্মাণ বিভাগে নিৰ্মাণ কৰিব।

ooooo

সমাপ্ত